# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 16-03-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। ৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে আজিৰে পৰা ৰাজ্যত নিৰ্বাচনী আচৰণ বিধি বলবৎ।

২। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনৰ ব্যাপক প্ৰস্তুতি।

৩। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা মধ্য প্ৰদেশৰ কানহা ৰাষ্ট্ৰীয় উদ্যানলৈ ৫০ টা বনৰীয়া ম'হ স্থানান্তৰৰ প্ৰক্ৰিয়া আৰম্ভ।

আৰু

৪। এছিয়ান লন বল প্ৰতিযোগিতালৈ অসমৰ ছজন খেলুৱৈৰ বাছনি লাভ।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতেই বিভিন্ন দলৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থী তালিকা প্ৰকাশ তথা চূড়ান্ত কৰাত ব্যস্ত হৈ পৰিছে। আম আদমী পাৰ্টীয়ে কালি ১৪টা সমষ্টিৰ বাবে প্ৰথম আৰু চূড়ান্ত প্ৰাৰ্থী তালিকা ঘোষণা কৰে। বিজেপিয়ে ১৮ মাৰ্চত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ কথা। ইউ পি পি এলৰ প্ৰাৰ্থী তালিকা আজি প্ৰকাশ পাব। এ আই ইউ ডি এফেও আজি দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যাৱতীয় কাম-কাজ পৰিচালনাৰ বাবে অসম জাতীয় পৰিষদে ১২ জনীয়া নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰিছে।

ইপিনে, বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিভিন্নজনৰ অন্যান্য দলত যোগদান তথা দল ত্যাগ অব্যাহত আছে। ইউ পি পি এল দলৰ উপ-সভাপতি তথা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই কালি ইউ পি পি এল দলৰ প্ৰাথমিক সদস্যপদ ত্যাগ কৰে। কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাথী তালিকা প্ৰকাশ কৰাৰ পাছতে দলটোৰ বহু প্ৰাৰ্থিত্ব প্ৰত্যাশী তথা নেতা-কৰ্মীয়ে ক্ষোভ আৰু অসন্তুষ্টি প্ৰকাশ কৰিছে। কংগ্ৰেছ নেতা কুশল শৰ্মা, প্ৰাণেশ্বৰ বসুমতাৰীকে ধৰি কেইবাগৰাকীও নেতাই দলৰ বিষয়বাবৰ লগতে প্ৰাথমিক সদস্য পদত্যাগ কৰিছে। আনহাতে, কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকাত লাহৰিঘাট সমষ্টিৰ প্ৰাৰ্থী হিচাপে নাম অন্তৰ্ভুক্ত হোৱা ডং আছিফ নাজৰৰ প্ৰাৰ্থিত্বৰ বিৰোধিতাৰে নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক তথা প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিঙলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰখনতে সাংসদগৰাকীয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ ভূমিকাক লৈও অসন্তুষ্টি প্ৰকাশ কৰিছে।

০০০০০০০

অসমকে ধৰি ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ বিধানসভা নিৰ্বাচনৰ দিন কালি ঘোষণা কৰা হয়। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এখন সংবাদমেলত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে

অহা ২৩ মাৰ্চ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব আৰু ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ২৮ মাৰ্চত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৪ মে'ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

উল্লেখযোগ্য যে ৰাজ্যত এইবাৰ দুই কোটি ৫০ লাখ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰ ভিতৰত এক কোটি ২৫ লাখ পুৰুষ, এক কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়া বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ আৰু অনন্য ব্যৱস্থা বুলি উল্লেখ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে অসমৰ বিভিন্ন দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰলৈ প্ৰতিকূল পৰিস্থিতিৰ মাজত নিৰ্বাচনী বিষয়াসকলে যাত্ৰা কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ মাজুলীৰ পৰা প্ৰায় ৫০-৬০ কিলোমিটাৰ দূৰত্ব ফেৰী আৰু ট্ৰেক্টৰেৰে অতিক্ৰম কৰি নিৰ্বাচনী বিষয়াসকলে ২৪৮ জন ভোটদাতা থকা অতি পিছপৰা ধনেখনা ভোটকেন্দ্ৰত উপস্থিত হোৱাৰ কথা প্ৰকাশ কৰে।

এই সংবাদমেলতে কালি পশ্চিমবংগ, তামিলনাডু, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ সময়সূচীও ঘোষণা কৰা হয়। কেৰালাম আৰু পুডুচেৰীত অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ লগতে তামিলনাডুত ২৩ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আনহাতে, পশ্চিমবংগত অহা ২৩ এপ্ৰিলত প্ৰথম পৰ্যায়ত আৰু ২৯ এপ্ৰিলত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আটাইকেইখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছতে আটাইকেইখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিৰ্বাচনী আঁচৰণবিধি বলৱৎ হৈছে বুলি শ্ৰী কুমাৰে প্ৰকাশ কৰে।

মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে সংবাদমেলত বিশুদ্ধ ভোটাৰ তালিকা গণতন্ত্ৰৰ আধাৰ বুলি উল্লেখ কৰি কয়, যে এই উদ্দেশ্য আগত ৰাখিয়েই নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়া চলাইছিল। তেওঁ কয়, যে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আদিৰ দৰে ন্যূনতম ব্যৱস্থাসমূহ থকাটো নিশ্চিত কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে। তেওঁ লগতে কয়, যে নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া অধিক স্বচ্ছ কৰি তোলাৰ বাবে ৩০ টা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ২০০ ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি তেওঁ লগতে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত, পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল ৭ মে'ত আৰু কেৰালাৰ ১৪০ জনীয়া বিধানসভাৰ কাৰ্যকাল ২৩ মে'ত অন্ত পৰিব। তামিলনাডুত ২৩৪ জন সদস্যৰ বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল ১৫ জুনত অন্ত পৰিব।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই কোকৰাঝাৰৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীয়ে আজি সকলো বিভাগৰ মুৰব্বী তথা খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। জিলা আয়ুক্তগৰাকীয়ে স্বচ্ছ আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে জিলাখনত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিৰ্বাচনী আচৰণবিধি কঠোৰভাৱে মানি চলিবলৈ সকলো বিষয়াক নিৰ্দেশ দিয়ে। জিলাখনত সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মনোনয়ন পত্ৰ সংগ্ৰহ কেন্দ্ৰৰ প্ৰস্তুতিৰ পৰ্যালোচনাৰ বাবে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আন এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত

কোকৰাঝাৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়া আৰু সহযোগী ৰিটাৰ্নিং বিষয়াসকল উপস্থিত থাকে।

শ্ৰীভূমি জিলাতো নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হোৱাৰ লগে লগে জিলা প্ৰশাসনে নিৰ্বাচনী ব্যয় নিয়ন্ত্ৰণ, প্ৰচাৰ সামগ্ৰী প্ৰকাশ আৰু ৰাজনৈতিক প'ষ্টাৰ আঁতৰোৱাৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। এই সন্দৰ্ভত জিলাখনৰ আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীয়ে এইদৰে কয় –

বাইট

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা মধ্য প্ৰদেশৰ কানহা ৰাষ্ট্ৰীয় উদ্যানলৈ ৫০ টা বনৰীয়া ম'হ স্থানান্তৰ কৰাৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্তমান প্ৰায় তিনি হাজাৰ বনৰীয়া ম'হ আছে। ইয়াৰে ৫০ টা ম'হ স্থানান্তৰ কৰাৰ বাবে মধ্য প্ৰদেশ চৰকাৰৰ প্ৰস্তাৱ মৰ্মে বন আৰু পৰিৱেশ মন্ত্ৰালয়, ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকৰণ আৰু প্ৰধান মুখ্য বন সংৰক্ষকৰ অনুমোদন উদ্যান কৰ্তৃপক্ষই লাভ কৰিছে। প্ৰথম পৰ্যায়ত কঁহৰা বনাঞ্চলত বিচৰণ কৰা এটা জাকৰ পৰা ১৫ টা ম'হ প্ৰেৰণৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

২০২৭ বৰ্ষৰ পদ্ম বঁটাসমূহৰ বাবে চৰকাৰে মনোনয়ন আৰু পৰামৰ্শৰ বাবে আহ্বান জনাইছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে অহা বছৰৰ গণৰাজ্য দিৱসৰ দিনা পদ্ম বঁটাসমূহ ঘোষণা কৰা হ'ব। অহা ৩১ জুলাই পদ্ম বঁটাৰ বাবে মনোনয়নৰ অন্তিম দিন। এই বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শ কেৱল ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৰ্টেলৰ যোগেদিহে গ্ৰহণ কৰা হ'ব বুলি বিবৃতিটোত কোৱা হৈছে। লিংগ, জাতি, ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে এই বঁটাৰ বাবে মনোনয়ন দাখিল কৰিব পাৰিব। অৱশ্যে চিকিৎসক আৰু বিজ্ঞানীৰ বাহিৰে, ৰাজহুৱা খণ্ডৰ অধীনৰ কৰ্মচাৰীকে ধৰি চৰকাৰী কৰ্মচাৰীসকলে এই বঁটাৰ বাবে মনোনয়ন দাখিল কৰিব নোৱাৰিব। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী হৈছে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহৰ অন্যতম। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজ সেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, ৰাজহুৱা পৰিক্ৰমা, অসামৰিক সেৱা তথা বাণিজ্য আৰু উদ্যোগকে ধৰি বিভিন্ন খণ্ডত উল্লেখনীয় সেৱা আগবঢ়োৱা লোকসকলক তেওঁলোকৰ কামৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হয়।

০০০০০

লছ এঞ্জেলছৰ ডলবি থিয়েটাৰত কিছুসময় পূৰ্বে ৯৮ সংখ্যক একাডেমী বঁটা প্ৰদান অনুষ্ঠানৰ সামৰণি পৰিছে। প্ৰখ্যাত কমেডিয়ান কেনন অ' ব্ৰায়ানে আঁত ধৰা অনুষ্ঠানত প্ৰিয়ংকা চোপ্ৰা, ৰবাৰ্ট ডাউনি জুনিয়ৰ, ক্ৰীছ ইভানছ্, এন হেথৱে আৰু জেভিয়াৰ বাৰ্ডমেনকে ধৰি কেইবাগৰাকী জনপ্ৰিয় অভিনেতা-অভিনেত্ৰীয়ে বঁটা প্ৰদান কৰে। এইবাৰৰ একাডেমী বঁটাত ১৩ টা শিতানত মনোনয়ন লাভ কৰা লিঅ'নাৰ্ডো দি কেপ্ৰিঅ' অভিনিত **ৱান বেটেল আফটাৰ আনাডাৰ** ছবিখনে শ্ৰেষ্ঠ ছবিৰ বঁটাকে ধৰি মুঠ সাতটা বঁটা লাভ কৰে। এই ছবিখনৰ বাবে থমাছ এণ্ডাৰ্ছনে শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। **চিনাৰ্ছ** ছবিখনত কৰা অভিনয়ৰ বাবে মাইকেল বি জৰ্ডানক

শ্ৰেষ্ঠ অভিনেতা আৰু **হেমনেট** ছবিত কৰা অভিনয়ৰ বাবে জেচ্ছি বাকলেক শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হয়।

ooooo

———দিল্লীত কালি সামৰণি পৰা ভাৰতীয় লন বল দলৰ নিৰ্বাচনী শিবিৰৰ পৰা এছিয়ান লন বল প্ৰতিযোগিতালৈ অসমৰ ছজন খেলুৱৈয়ে বাছনি লাভ কৰিছে। অহা পাঁচ এপ্ৰিলৰ পৰা দিল্লীত হ'বলগীয়া এছিয়ান লন বল প্ৰতিযোগিতাৰ ছিনিয়ৰ শাখাত অৰ্জুন বঁটা প্ৰাপক নয়নমণি শইকীয়া, বনগীতা হাজৰিকা, পুতুল সোণোৱাল আৰু জয়ন্ত শৰ্মাই বাছনি লাভ কৰিছে। ২৫ বছৰ অনুৰ্ধ শাখাত বিতু দাস আৰু সুৰঞ্জনা বৰুৱাই ভাৰতীয় দলত স্থান লাভ কৰিছে।

ooooooo

**সমাপ্ত**